# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত টাটা গোটৰ বিভিন্ন প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়। ড° শৰ্মাই লগতে কাৰ্যবাহী বিষয়াসকলক আসন্ন এডভাণ্টেজ আছাম শীৰ্ষক আন্তঃগাথনি সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে চান ফাৰ্মাৰ কাৰ্যবাহী সঞ্চালক আলোক চাংভিকো সাক্ষাৎ কৰে। বৈঠকত অসমৰ ভেষজ খণ্ডৰ সুযোগ আৰু গোটটোৰ সম্প্ৰসাৰণ পৰিকল্পনাক লৈ আলোচনা কৰা হয়। ৩ দিনীয়া ভ্ৰমণসূচীৰে মুম্বাইলৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত এটা ৰোড শ্বোত ভাগ ল'ব। উল্লেখযোগ্য যে ফেব্ৰুৱাৰীত গুৱাহাটীত এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত তিনিখন উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভ কৰে। ৰাজ্যপালগৰাকীয়ে আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা, কৰ্তব্যৰ পৰা বিকাশলৈ আৰু অমৃত সৰোবৰ সম্ভাৱনাসূচক উদগণি শীৰ্ষক আঁচনি ৩ খন আজি জনসাধাৰণৰ কল্যানৰ অৰ্থে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীআচাৰ্য্যই জনসাধাৰণৰ সৰ্বাঙ্গীন কল্যানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

**বাইট**

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰাত চলি থকা অসম গ্ৰন্থমেলাত আজি পৰ্যন্ত ৫ কোটি ১০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। আজি গ্ৰন্থমেলাৰ অস্থায়ী কাৰ্যালয়ত ৰেইন ছফটৰ বিশেষ কেলেণ্ডাৰখন মুকলি কৰা হয়। সপ্তদশ বৰ্ষৰ বাবে মুকলি কৰা এইবাৰৰ কেলেণ্ডাৰখনত ধেমাজী জিলাৰ অসম-অৰুণাচল সীমান্তত দিব্যাংগসকলৰ শিক্ষাদানৰ বাবে স্থাপিত বিদ্যা দ্যা লিভিং স্কুল নামৰ ব্যতিক্ৰমী বিদ্যালয়খনে স্থান লাভ কৰিছে। গ্ৰন্থমেলাত আজি শিক্ষামন্ত্ৰী ৰণোজ পেগু¯উপস্থিত হৈ এখন গ্ৰন্থ উন্মোচন কৰে। বিয়লি শশী ফুকন সোৰৱণি প্ৰেক্ষাগৃহত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। একেদৰে দিনৰ ভাগত সদ্যপ্ৰয়াত কবি মীৰা ঠাকুৰৰ সোঁৱৰণত অনুষ্ঠিত মহিলাসকলৰ এটি অনুষ্ঠান ৰাণী গোঁহায়ে পৰিচালনা কৰে। শব্দ শিল্প আড্ডা শীৰ্ষক আন এটা আকৰ্ষণীয় অনুষ্ঠানত সাহিত্য, নাটক আৰু সাংবাদিকতাৰ লগতে ভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলে অংশগ্ৰহণ কৰে। কাইলৈ গ্ৰন্থ মেলাত পুৱা চাৰে ৯ বজাৰ পৰা দিনৰ ২ বজালৈ শিশুৰ দিন উপলক্ষে চিত্ৰাংকন, মুকলি কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ooooo

অসমত বাণিজ্যিক চলচ্চিত্ৰ গৃহ নিৰ্মাণৰ বাবে ৰাজ্যৰ বচা বচা উদ্যমীসকলক ৫০ লাখ টকাৰ চৰকাৰী সাহায্য প্ৰদান কৰা হ'ব। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই আজি এই বিষয়ে প্ৰকাশ কৰি ইচ্ছুক উদ্যমীসকলক এই সাহায্য লাভৰ বাবে আবেদন কৰিবলৈ আহ্বান জনায়। আবেদন গ্ৰহণৰ অন্তিম দিন ২০ ফেব্ৰুৱাৰী ধাৰ্য কৰা হৈছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰীত বিভাগীয় বিষয়াবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হৈ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে। তেওঁ অৰুণোদয় আঁচনিৰ ৰূপায়ণ, গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ অব্যৱহৃত পুঁজিৰ ব্যৱহাৰ, জিলা পৰিষদৰ নতুন কাৰ্যালয় গৃহ আৰু কৰ্মচাৰীৰ সংখ্যাৰ বিষয়ে বুজ লোৱাৰ উপৰি কেইবাখনো আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। আজিৰ বৈঠকত জিলা আয়ুক্ত, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া, সকলো চক্ৰ বিষয়া আৰু গাওঁ পঞ্চায়তৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ ইউ পি পি এলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি মুছলপুৰত অনুষ্ঠিত হয়। বৈঠকত বিটিচি পৰিষদীয় নিৰ্বাচন, দলৰ সাংগঠনিক দিশ আৰু ভৱিষ্যনথি লৈ আলোচনা হয়। বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যনিৰ্বাহক বৈঠকত পৰিষদীয় নিৰ্বাচনৰ বাবে দলৰ প্ৰতিষ্ঠাপক সভাপতি তথা ৰাজ্যিক মন্ত্ৰী ইউ জি ব্ৰহ্মৰ দায়িত্বত এখন ৫ জনীয়া কমিটিও গঠন কৰা হয়। দলৰ মুখপাত্ৰ মাধৱ ছেত্ৰীয়ে আসন্ন বিটিচি পৰিষদীয় নিৰ্বাচনত নৱ প্ৰজন্ম আৰু মহিলাৰ বাবে আসন সংৰক্ষিত থাকিব বুলি জানিবলৈ দিয়ে। বৈঠকত ইউ পি পি এল দলৰ সাংসদ, মন্ত্ৰী-বিধায়কসকলৰ লগতে কাৰ্যনিৰ্বাহক সদস্যসকল উপস্থিত থাকে।

০০০০০

প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা তথা চিত্ৰনাট্যকাৰ সদ্যপ্ৰয়াত ভাস্কৰজ্যোতি দাসৰ সোঁৱৰণত আজি গুৱাহাটীৰ চেনিকুঠিৰ সূৰ্য্য ক্লাৱত এটা স্মৃতি চাৰণ অনুষ্ঠানৰ আয়োজন কৰা হয়। যোৱা বছৰ কেৰালা আন্তৰাষ্ট্ৰীয় তথ্য চিত্ৰ আৰু চুটি ছবি মহোৎসৱত প্ৰদৰ্শিত পৰিচালকগৰাকীৰ An unknown summer শীৰ্ষক বহু প্ৰসংশিত ছবিখনৰ প্ৰদৰ্শনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সূচনা কৰা হয়। ইয়াৰ পাছত গুণমুগ্ধ আৰু অনুৰাগীসকলে ২৬ ডিচেম্বৰত কৰ্কট ৰোগত ভুগি অকালতে মৃত্যুবৰণ কৰা বিশিষ্ট চিত্ৰনাট্যকাৰ আৰু পৰিচালকগৰাকীৰ জীৱন আৰু কৰ্মৰ স্মৃতিচাৰণ কৰে।

০০০০০

ছয়গাওঁ আৰক্ষীয়ে আজি ঘোৰামাৰাত অভিযান চলাই দুজন মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজনক জাছিমুদ্দিন আহমেদ আৰু বাব্দুৰ ৰছিদ বুলি চিনাক্ত কৰা হৈছে। তেওঁলোকৰ পৰা ২৪ টা মাদক দ্ৰব্য ভৰ্তি কণ্টেইনাৰ আৰু নগদ ৬৬ হাজাৰৰো অধিক টকা জব্দ কৰা হৈছে।

০০০০০

দৰং জিলাৰ মঙলদৈ থানাৰ অন্তৰ্গত বাঘপৰী গাঁওত আজি বিদ্যুৎস্পৃষ্ট হৈ এজন কিশোৰৰ মৃত্যু হয়। কিশোৰজন আব্দুল হান্নান বুলি জানিব পৰা গৈছে। কিশোৰজনে নিজৰ বাসগৃহত বিদ্যুৎ পৰিবাহী দুডাল তাঁৰ জোৰা লগাই থাকোতে এই দুৰ্ঘটনাটো ঘটে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত